# 2025

# ASSAMESE

## ( Honours Elective )

Paper : ASM–HE–6016

**( লক্ষ্মীনাথ বেজবৰুৱা )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলত দিয়াবোৰৰ অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম কোন চনত হৈছিল?

(খ) 'মালতী' কবিতাটি কি বিষয়ক কবিতা?

(গ) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা এখন কবিতা-পুথিৰ নাম লিখা।

(ঘ) লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰথম গল্পপুথিখনৰ নাম কি?

(ঙ) বেজবৰুৱাই কাম কৰা ইংৰাজ কোম্পানীটোৰ নাম কি আছিল?

(চ) 'লাওখোলা' গল্পটি বেজৰবৰুৱাৰ কোনখন গল্পসংকলনত আছে?

(ছ) লক্ষ্মীনাথ বেজবৰুৱাৰ দেউতাকৰ নাম কি আছিল?

(জ) ঈশ্বৰ প্ৰাপ্তিৰ ঘাই পথ এটিৰ নাম লিখা।

(ঝ) 'কৃপাবৰ বৰবৰুৱাৰ উইল' নামৰ ৰচনাখনত উল্লেখ থকা গুৱাহাটীৰ এখন পৰ্বতৰ নাম লিখা।

(ঞ) লক্ষ্মীনাথ বেজবৰুৱাই 'কৃপাবৰ বৰবৰুৱাৰ উইল' ৰচনাখনত সত্ৰীয়া কি নাচৰ কথা উল্লেখ কৰি গৈছে?

২। তলত দিয়াবোৰৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ দুটা দেশপ্ৰেমমূলক কবিতাৰ নাম লিখা।

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পপুথি 'সুৰভি' আৰু 'জোনবিৰি'ৰ প্ৰকাশৰ সময় কি কি?

(গ) 'মলক গুইন্ গুইন্' নামৰ গল্পটিৰ নায়ক কোন আৰু তেওঁৰ দেউতাকৰ নাম কি আছিল?

(ঘ) লক্ষ্মীনাথ বেজবৰুৱাৰ ঘৰত কাম কৰা দুজন লগুৱাৰ নাম লিখা।

(ঙ) 'কৃপাবৰ বৰবৰুৱাৰ উইল' নামৰ ৰচনাখনত উল্লেখ থকা মাঘ বিহুত অনুষ্ঠিত হোৱা দুবিধ যুঁজৰ নাম লিখা।

৩। তলৰ যি কোনো চাৰিটাৰ চমু টোকা লিখা : ৫×৪=২০

(ক) ‘জোনাকী’ আলোচনী

(খ) ‘মোৰ জীৱন সোঁৱৰণ’ৰ আধাৰত বেজবৰুৱাৰ জন্মবৃত্তান্ত

(গ) ‘মালতী’ কবিতাত প্ৰকৃতিৰ চিত্ৰ

(ঘ) ‘লাওখোলা’ গল্পটিৰ সামাজিক পটভূমি

(ঙ) কৰ্ম-মাৰ্গ

(চ) ‘কৃপাবৰ বৰুবৰুৱাৰ উইল’ত প্ৰকাশ পোৱা ৰঙালী বিহুৰ চিত্ৰ

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) ‘মালতী’ কবিতাটিৰ তাৎপৰ্য বিশ্লেষণ কৰা।

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ ‘বাপিৰাম’ গল্পটিৰ দুটা প্ৰধান চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্য সন্দৰ্ভত মন্তব্য দাঙি ধৰা।

(গ) ‘লাওখোলা’ গল্পটিত নাৰীমনৰ কি কি দিশ উদ্ভাসিত হৈছে, বিৱৰি লিখা।

(ঘ) ‘বীণ বৰাগী’ কবিতাৰ মাজেৰে কবিৰ স্বদেশপ্ৰেম কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঙ) চুটি গল্পৰ বৈশিষ্ট্যসমূহৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰা।

(চ) 'মোৰ জীৱন সোঁৱৰণ' নামৰ গ্ৰন্থখনৰ প্ৰথম ভাগৰ তৃতীয় অধ্যায়ৰ মূল কথাখিনি তোমাৰ নিজৰ ভাষাত বৰ্ণনা কৰা।

(ছ) মহাভাৰতৰ যুদ্ধৰ সময়ত অস্ত্ৰ সামৰি থোৱা অৰ্জুনক শ্ৰীকৃষ্ণই কেনেধৰণৰ তত্ত্বকথাৰে কৰ্তব্যৰ প্ৰতি উদ্বুদ্ধ কৰি তুলিছিল, লক্ষ্মীনাথ বেজবৰুৱাৰ 'গীতাতত্ত্ব' প্ৰবন্ধৰ আধাৰত বৰ্ণনা কৰা।

(জ) 'কৃপাবৰ বৰবৰুৱাৰ উইল' নামৰ ৰচনাখনত অসমৰ পৰ্বত-পাহাৰ আৰু নদ-নদীৰ কথা কেনেদৰে উল্লেখ পোৱা যায়, আলোচনা কৰা।

★★★